AS/03/ May-June 2026

**BELIEVERS EASTERN CHURCH**
World Church Headquarters, St Thomas Community
Thiruvalla - 689 103, Kerala, India

# **ৰখীয়াৰ পত্ৰ**

মে - জুন ২০২৬

পবিত্ৰ মণ্ডলীৰ মোৰ প্ৰিয় ৰখীয়াসকল আৰু বিশ্বব্যাপী সিঁচৰিত হৈ থকা সকলো বিশ্বাসীলৈ,

আমাৰ প্ৰভু আৰু পৰিত্ৰাণকৰ্তা যীচু খ্ৰীষ্টৰ অনুগ্ৰহ, দয়া আৰু শান্তি আপোনালোকৰ লগত থাকক।

খ্ৰীষ্ট পুনৰুত্থিত হল!

আমি আমাৰ মণ্ডলীৰ লিটাৰ্জিকেল কেলেণ্ডাৰ অনুসৰি আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ পুনৰুত্থানৰ কালত আছো। আমি চাৰিওফালে অশান্তি আৰু অনিশ্চয়তা অনুভৱ কৰি থকাৰ সময়তো, আমি আমাৰ পৰিত্ৰাণকৰ্তাৰ পুনৰুত্থানৰ অবিচলিত আশা আৰু আনন্দত জীয়াই থাকিবলৈ আহ্বান জনোৱা হৈছে।কাৰণ আমি একেলগে ক'ব পাৰো: খ্ৰীষ্টৰ পুনৰুত্থান হৈছে, আৰু কিয়নো তেওঁ জীয়াই আছে, মই কাইলৈৰ সন্মুখীন হ'ব পাৰো। এই সাহস আৰু নিৰ্ভীকতাৰে, পুনৰুত্থিত খ্ৰীষ্টই তেওঁৰ শিষ্যসকলক পঠিয়াই দিলে — যাতে তেওঁলোকে আমাৰ চাৰিওফালৰ জগতখনলৈ ইষ্টাৰৰ আনন্দ আৰু আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ পুনৰুত্থানৰ আশা প্ৰতিফলিত কৰে। আৰু যীচুৱে প্ৰতিশ্ৰুতি দিয়া মতে, পবিত্ৰ আত্মা শিষ্যসকলৰ ওপৰত আহিল, তেওঁলোকক ঈশ্বৰৰ প্ৰেমৰ প্ৰতিফলন হ'বলৈ ক্ষমতা প্ৰদান কৰিলে।

আৰু পাঁচনিসকল, যিসকলক 'পঠিওৱা হোৱা লোক' বুলি কোৱা হয়, তেওঁলোক দূৰলৈকে — পৃথিৱীৰ শেষ সীমালৈকে গ'ল। বাৰগৰাকী পাঁচনিক সন্মান জনাবলৈ, যিসকল পবিত্ৰ আত্মাৰ দ্বাৰা শক্তিশালী হৈ গোটেই জগতত খ্ৰীষ্টৰ সাক্ষী দিবলৈ গৈছিল, মণ্ডলীয়ে 'পাঁচনিসকলৰ উপবাস' নামৰ এটা পবিত্ৰ কাল পৃথক কৰি ৰাখিছে।

**এই উপবাস কেনেদৰে উদ্ভৱ হ'ল?** পাঁচনি সকলৰ কৰ্ম ১:৪ পদত আমি দেখো যে প্ৰভু যীচুৱে পাঁচনিসকলক মহান নিৰ্দেশ পূৰণ কৰিবলৈ যোৱাৰ আগতে প্ৰথমে পবিত্ৰ আত্মাৰ প্ৰতিশ্ৰুতিৰ বাবে অপেক্ষা কৰিবলৈ কৈছিল। মণ্ডলীৰ পবিত্ৰ পৰম্পৰাই আমাক কয় যে পাঁচনিসকলে তেতিয়া এটা উপবাস আৰম্ভ কৰিছিল, ঈশ্বৰক তেওঁলোকৰ মিছনেৰী কাৰ্যৰ বাবে ক্ষমতা প্ৰদান কৰিবলৈ প্ৰাৰ্থনা কৰিছিল। আৰু তেওঁলোকে পঞ্চাশদিনীয়া পৰ্বৰ দিনা পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ নোহোৱালৈকে এই উপবাস চলাই গৈছিল।

তাৰ পিছৰে পৰা, মণ্ডলীয়ে এই উপবাসৰ কালটো পালন কৰি আহিছে, যাক পাঁচনিসকলৰ উপবাস বুলি কোৱা হয়। পাঁচনিসকলৰ উপবাস প্ৰতি বছৰে জুন মাহৰ ১৬ তাৰিখে আৰম্ভ হয় আৰু ১৩ দিনলৈকে জুন ২৮ তাৰিখে শেষ হয়, তাৰ পিছত আমি দুটা উৎসৱ উদযাপন কৰিম - জুন ২৯ তাৰিখে ছেইণ্ট পিতৰ আৰু ছেইণ্ট পৌলৰ উৎসৱ আৰু জুন ৩০ তাৰিখে পাঁচনিসকলৰ উৎসৱ।

**আমি কেনেদৰে এই উপবাস পালন কৰিম?** মণ্ডলীৰ সকলো উপবাসৰ কালৰ দৰেই পাঁচনিসকলৰ উপবাসে আমাক আমাৰ প্ৰাৰ্থনা, উপবাস আৰু দান-বৰ্ত্তাৰ ওপৰত গুৰুত্ব দিবলৈ আহ্বান জনায়, যাতে আমি অধিক ঈশ্বৰ-কেন্দ্ৰিক, বিশ্বাসী জীৱন যাপন কৰিব পাৰো। কিন্তু এই উপবাস মণ্ডলীৰ আন উপবাসসমূহৰ পৰা পৃথক কাৰণ ই আমাক পাঁচনিসকলৰ মিছনত অব্যাহত ৰাখিবলৈ আহ্বান জনায়। আৰু সেই কাৰণেই, মই আপোনালোকক, মোৰ সন্তানসকলক, এই পবিত্ৰ কালটো পৃথক কৰি গোটেই 'পাঁচনিসকলৰ কৰ্ম' পুস্তিকা পঢ়িবলৈ উৎসাহিত কৰো। আমাৰ প্ৰিয় মেট্ৰ'পলিটান আথানাচিয়াছ যোহান প্ৰথম (ধন্য স্মৃতি)য়ে যিদৰে কৈছিল, পাঁচনিসকলৰ কৰ্ম পুস্তিকা হৈছে পবিত্ৰ মণ্ডলীৰ 'নমুনা' , আৰু শুভবাৰ্তা ভাগ-বতৰা কৰিবলৈ তেওঁলোকৰ অটল প্ৰতিশ্ৰুতিৰ ওপৰত চিন্তা-চৰ্চা কৰাৰ বাবে আৰু পাঁচনিসকলৰ সেৰা বুজিব পৰা মূল সম্পদ। এই ইচ্ছাকৃত অনুশীলনৰ জৰিয়তে, আমি

পাঁচনিসকলৰ পদচিহ্ন অনুসৰণ কৰিবলৈ বিচাৰো, চাৰিওফালে শুভবাৰ্তা বাক্য বোৱাই নিবলৈ শক্তি আৰু ক্ষমতাৰ বাবে প্ৰভুলৈ প্ৰাৰ্থনা কৰো।

**পাচনিসকলৰ উপবাস পালন কৰাৰ তিনিটা ব্যৱহাৰিক উপায়**

**সেৱা কৰক:** পাঁচনিসকলৰ উপবাসে আমাক প্ৰতি বছৰে পবিত্ৰ পাঁচনিসকলৰ জীৱন আৰু আদৰ্শৰ ওপৰত চিন্তা কৰাৰ সুযোগ দিয়ে। কিন্তু কেৱল তেওঁলোকক স্মৰণ কৰাই সন্মান দিবলৈ যথেষ্ট নহয়। আমি নিশ্চিত কৰিব লাগিব যে তেওঁলোকে আৰম্ভ কৰা কাম আমি অব্যাহত ৰাখোঁ, তেতিয়াহে তেওঁলোকৰ স্মৃতি আমি সন্মান কৰিম। পুনৰুত্থিত খ্ৰীষ্টৰ আশা আৰু আনন্দ আমাৰ চাৰিওফালৰ লোকসকলৰ লগত ভাগ-বতৰা কৰাটো আমাক, যিসকল তেওঁলোকৰ অনুগামী আৰু আত্মিক বংশধৰ, গতাই দিয়া হৈছে। গতিকে, এই কালছোৱাত, আমি সেই কাম কৰি যাওঁ, বিশেষকৈ আমাৰ সকলো পেৰিছ আৰু ডায়চিছত দয়াৰ সেৱা আৰু কৰুণাৰ কাৰ্য্যকলাপ।

**প্ৰাৰ্থনা কৰক:** ইফিচীয়া ৬:১৯-২০ পদত ছেইণ্ট পৌলে আমাক সোঁৱৰাই দিয়াৰ দৰে, আমি আমাৰ পুৰোহিত আৰু মিছনেৰীসকলৰ বাবে প্ৰাৰ্থনা কৰিব লাগিব যাতে তেওঁলোকে নিজৰ জীৱন পুনৰ উৎসৰ্গা কৰে আৰু বিভিন্ন ধৰণৰ অসুবিধাৰ মাজতেও শুভবাৰ্তাৰ কাম চলাই নিবলৈ উৎসাহিত আৰু ক্ষমতাপ্ৰাপ্ত হয়। আমি আমাৰ অধিক সন্তান আৰু যুৱক-যুৱতীসকল যাতে পবিত্ৰ মণ্ডলীৰ সেৱাত নিজৰ জীৱন উৎসৰ্গা কৰে তাৰ বাবেও প্ৰাৰ্থনা কৰো। মনত ৰাখিব, পবিত্ৰ মণ্ডলী হৈছে খ্ৰীষ্টৰ শৰীৰ, জগতত যীচুৰ প্ৰকৃত সম্প্ৰসাৰণ।

**দান কৰক:** আমাৰ দশমাংশ আৰু নৈবেদ্যৰ উপৰিও, আমি আমাৰ মিছন কাৰ্য্যত আৰ্থিকভাৱে সহায় কৰিবলৈ আহ্বান জনোৱা হৈছে। ফিলিপীয়া ৪:১৮ পদত, ছেইণ্ট পৌলে আমাক কয় যে এই উপহাৰবোৰ হৈছে ‘ঈশ্বৰক সন্তুষ্ট কৰা গ্ৰহণযোগ্য বলি।’ সেয়েহে, পাঁচনিসকলৰ উপবাস হৈছে আমাৰ বাবে এক সুবিধাজনক সময় যাতে আমি কিছুমান খাদ্যৰ পৰা উপবাস কৰি ৰক্ষা কৰা ধন পৃথক কৰি ৰাখো, যাতে সেয়া আমাৰ মণ্ডলীৰ সেৱা কাৰ্য্যক সহায় কৰিবলৈ দিয়া হয়।

মোৰ প্ৰিয় সন্তানসকল, সদায়ৰ দৰে, এই পবিত্ৰ দিনবোৰত মই আপোনালোক প্ৰত্যেককে মোৰ প্ৰাৰ্থনাত ধৰি ৰাখো। আহক আমি পাঁচনিসকলৰ আৰ্হি অনুসৰণ কৰাৰ প্ৰতিশ্ৰুতি নবীকৰণ কৰো আৰু যীচু খ্ৰীষ্টৰ শুভবাৰ্তাৱে আগবঢ়োৱা আনন্দ আৰু আশা আমাৰ পৰিয়াল, আমাৰ সমাজ আৰু পৃথিৱীৰ শেষ সীমালৈকে প্ৰতিফলিত কৰো। যদি আমাৰ উপবাসটো প্ৰাৰ্থনা আৰু খাদ্যৰ পৰা বিৰত থাকি সীমাবদ্ধ হয়, তেন্তে আমি পাঁচনিসকলৰ উপবাসৰ উদ্দেশ্য হেৰুৱাইছো। প্ৰভুৱে আমাক অনুগ্ৰহ দিয়ক যাতে আমি বাক্য আৰু কাৰ্য্যৰে পাঁচনিসকলক অনুসৰণ কৰি তেওঁলোকক সন্মান কৰিব পাৰো। আমাৰ প্ৰভু ঈশ্বৰে আপোনালোকক তেওঁৰ ইচ্ছা বুজিবলৈ জ্ঞান, তেওঁৰ আজ্ঞা পালন কৰিবলৈ শক্তি, আৰু তেওঁৰ দয়া প্ৰতিফলিত কৰিবলৈ প্ৰেম প্ৰদান কৰক।

পবিত্ৰ ত্ৰিত্ব — পিতৃ, পুত্ৰ আৰু পবিত্ৰ আত্মাই তেওঁৰ প্ৰচুৰ অনুগ্ৰহ আৰু দয়াৰে আমাক পথ প্ৰদৰ্শন কৰক আৰু সকলো সন্ত আৰু থিয়'ট'ক'ছৰ মধ্যস্থতা ঈশ্বৰৰ সিংহাসনৰ আগত এতিয়া আৰু সদায় আমাৰ বাবে সুৰক্ষা হওক। ✠আমেন।

পিতৃত্বসুলভ প্ৰেম আৰু প্ৰাৰ্থনাৰে,

খ্ৰীষ্টত আপোনালোকৰ পিতৃ,

✠ মৰান মৰ ছেমুৱেল থিয়ফিলাছ মেট্ৰ'পলিটান

তাৰিখঃ ৫ মে ২০২৬
স্থানঃ বিশ্ব গীৰ্জাৰ মুখ্য কাৰ্যালয়

---

**বি:দ্ৰ:** অনুগ্ৰহ কৰি নিশ্চিত কৰক যে এইটো সকলো আঞ্চলিক ভাষালৈ অনুবাদ কৰা হৈছে আৰু বিশ্বাসী লোকসকলৰ উৎসাহৰ বাবে সকলো প্যাৰিছত পঢ়া হৈছে।